NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। ভাৰত আৰু চীনৰ সৈনিকসকলে পূব লাডাখৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত টহল আৰম্ভ কৰিছে।

২। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই যুৱক-যুৱতীসকলক ২০২২-২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় যুৱ পুৰস্কাৰৰ বাবে আবেদন কৰিবলৈ আহ্বান জনাইছে।

৩। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ আহমেদাবাদৰ পিপলাজত ৰাজ্যখনৰ সৰ্ববৃহৎ আৱৰ্জনাৰ পৰা শক্তি উৎপাদন প্ৰকল্প মুকলি কৰে।

৪। স্পেইনত বিধ্বংসী বানৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২০২ লৈ বৃদ্ধি পাইছে।

***আৰু***

৫। ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে মুম্বাই টেষ্টত প্ৰাৰম্ভিক বেটিং বিপৰ্য্যয়ৰ সন্মুখীন হৈছে।

০০০০০০০০০

ভাৰত আৰু চীনৰ সৈনিকসকলে পূব লাডাখৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত টহল আৰম্ভ কৰিছে। ভাৰতীয় সেনাৰ সূত্ৰই প্ৰকাশ কৰা মতে, ডেমচ'ক এলেকাত টহল পুনৰ আৰম্ভ হৈছে। উভয় দেশৰ সৈনিকৰ মাজত ২০২০ চনৰ এপ্ৰিলত সংঘৰ্ষৰ সূত্ৰপাত হোৱাৰ পাছৰে পৰা অঞ্চলটোত টহল ব্যৱস্থা বন্ধ আছিল আৰু প্ৰায় চাৰে চাৰি বছৰৰ পাছত এই ব্যৱস্থা পনৰ আৰম্ভ হৈছে। ডেপচাঙতো শীঘ্ৰে টহল আৰম্ভ হ'ব। দুয়োখন দেশে যোৱা মাহৰ এলানি কূটনৈতিক আৰু সামৰিক পৰ্য্যায়ৰ আলোচনাৰ অন্তত সীমান্তৰ পৰা সৈন্য প্ৰত্যাহাৰ সন্দৰ্ভত সহমতত উপনীত হৈছিল। সেই মৰ্মে কালি দীপাৱলী উপলক্ষে ভাৰত আৰু চীনৰ সৈনিকসকলে ছুছুল মোলডো, দৌলতবেগওল্ডি, হটস্প্ৰিং, কেকে গিৰিপথ আৰু কোংলাসহ ভালেমান স্থানত মিঠাইৰ আদান-প্ৰদান কৰে।

সৈন্য প্ৰত্যাহাৰৰ প্ৰক্ৰিয়া যোৱা ২২ অক্টোবৰত আৰম্ভ হৈছে। দুয়োখন দেশৰ সৈনিকসকলে ডেপচাং আৰু ডেমচ'ক এলেকাৰ পৰা অস্থায়ী টেণ্ট আৰু পৰিকাঠামোসমূহ আঁতৰ কৰিছে। পৰিকল্পনা অনুসৰি, ভাৰত আৰু চীনে স্পৰ্শকাতৰ অঞ্চলত টহলৰ পূৰ্বে পৰস্পৰক এইবিষয়ে অৱগত কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই যুৱক-যুৱতীসকলক ২০২২-২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় যুৱ পুৰস্কাৰৰ বাবে আবেদন কৰিবলৈ আহ্বান জনাইছে। ১৫ৰ পৰা ২৯ বছৰ বয়সৰ ব্যক্তি আৰু সংগঠনক স্বাস্থ্য, মানৱ অধিকাৰৰ প্ৰসাৰ, সক্ৰিয় নাগৰিকত্ব আৰু সমূহীয়া সেৱাৰ দৰে উন্নয়ন তথা সমাজ সেৱাৰ বিভিন্ন ক্ষেত্ৰৰ উৎকৃষ্ট কাম আৰু অৱদানৰ বাবে এই পুৰস্কাৰ প্ৰদান কৰা হয়। এই পুৰস্কাৰৰ ৰূপত এটা পদক, এখন প্ৰমাণ পত্ৰ, ব্যক্তিসকলক ১ লাখ টকা আৰু সংগঠনসমূহক নগদ ৩ লাখ টকা প্ৰদান কৰা হয়। ড০ মন্দাভিয়াই এটা ভি ডি অ' বাৰ্তাযোগে কৈছে যে, এই পুৰস্কাৰ কেৱল অলংকৰণে নহয়, বৰং এখন প্ৰগতিশীল আৰু সৰ্বাত্মক ভাৰতক সুদৃঢ় কৰি তোলাত যুৱ নেতৃত্বৰ প্ৰতি সন্মানস্বৰূপ। ২০২২-২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় যুৱ পুৰস্কাৰৰ বাবে আজিৰ পৰা ১৫ নবেম্বৰলৈ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ উমৈহতীয়া পুৰস্কাৰ প'ৰ্টেলৰ যোগেদি আবেদন আহ্বান কৰা হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ আহমেদাবাদৰ পিপলাজত ৰাজ্যখনৰ সৰ্ববৃহৎ আৱৰ্জনাৰ পৰা শক্তি উৎপাদন প্ৰকল্প মুকলি কৰে। ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বৰে ৩৭৫ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্প নিৰ্মাণ কৰি উলিওৱা হৈছে। আমাৰ সংবাদদাতাই জনাইছে যে, আহমেদাবাদত আৱৰ্জনাৰ পৰা শক্তি উৎপাদনৰ এইটো প্ৰথমটো প্ৰকল্প আৰু এই প্ৰকল্পটো সেউজ ভৱিষ্যতৰ দিশে লোৱা এটা বৃহৎ পদক্ষেপৰূপে পৰিগণিত হ'ব।

০০০০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। বিশেষকৈ শাসকীয় বিজেপি, বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলাইছে। উল্লেখযোগ্য যে বিহালী বিধানসভা সমষ্টিত আজি বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক দিগন্ত কলিতাই বিভিন্ন স্থানত প্ৰচাৰ অভিযানত অংশ লয়। চামগুৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ কেবিনেট মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা বিমল বৰাই কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কাছাৰৰ ধলাই বিধানসভা সমষ্টিৰ লগতে চিৰাঙৰ ছিদলী সমষ্টিতো প্ৰাৰ্থী আৰু সমৰ্থকসকলে ব্যাপক প্ৰচাৰ চলাইছে। ইপিনে, বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই ভোটাৰৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে।

০০০০০০০০০

স্পেইনত বিধ্বংসী বানৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২০২ লৈ বৃদ্ধি পাইছে। বানৰ ফলত ভালেসংখ্যক লোক সন্ধানহীন হৈ আছে। ৮ ঘণ্টা ধৰি হোৱা ধাৰাষাৰ বৰষুণৰ বাবে ৱালেন্‌চিয়া আৰু মলাগাৰ দৰে চহৰ বানৰ কবলত পৰিছে আৰু বাঢ়নি পানীৰ ফলত জনসাধাৰণ ঘৰ আৰু বাহনত আৱদ্ধ হৈ পৰিছে। স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰো চাঞ্চেজে জনসাধাৰণক ঘৰৰ ভিতৰতে থাকিবলৈ আহ্বান জনাইছে।

০০০০০০০০০

ভাৰত আৰু আলবেনিয়াৰ মাজত কালি তিৰানা দ্বিপাক্ষিক আলোচনা অনুষ্ঠিত হয়। আলোচনাকালত দুয়ো পক্ষই বিভিন্ন দ্বিপাক্ষিক, আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ত পৰ্য্যালোচনা চলায়। এই দ্বিপাক্ষিক আলোচনাত ৰাজনৈতিক সম্বন্ধ, বাণিজ্য, সাংস্কৃতিক সম্বন্ধ আৰু জনসাধাৰণৰ সম্বন্ধৰ লেখিয়া বিষয়সমূহ সামৰি লোৱা হয়। আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত দুয়ো দেশৰ মাজৰ সহযোগিতাৰ বিষয়টোৰেও আলোচনাত স্থান লাভ কৰে। আলোচনাকালত দুয়ো পক্ষই পাৰস্পৰিক স্বাৰ্থ জড়িত আঞ্চলিক আৰু গোলকীয় বিষয় লৈ মত-বিনিময় কৰে। আলোচনাত ভাৰতীয় পক্ষক বিদেশ মন্ত্ৰালয়ৰ মধ্য ইউৰোপৰ অতিৰিক্ত সচিব অৰুণ কুমাৰ চাহুৱে প্ৰতিনিধিত্ব কৰাৰ বিপৰীতে আলবেনিয়াক দেশখনৰ ইউৰোপ আৰু বিদেশ পৰিক্ৰমা বিভাগৰ উপ মন্ত্ৰী এগুৰিট ইজেইৰাজে প্ৰতিনিধিত্ব কৰে। শ্ৰীচাহুৱে লগতে আলবেনিয়াৰ অৰ্থনীতি, সংস্কৃতি আৰু উদ্ভাৱন দপ্তৰৰ মন্ত্ৰী অ'ল্টা মঞ্জানিক সাক্ষাৎ কৰে। বৈঠকত দুয়ো পক্ষই বাণিজ্য, বিনিয়োগ, পৰ্য্যটন আৰু সাংস্কৃতিক বিনিময় তথা সম্পৰ্কৰ সৈতে জড়িত বিভিন্ন বিষয় লৈ আলোচনা কৰে। ভাৰতে যোৱা আগষ্টত আলবেনিয়াত আৱাসিক মিছন মুকলি কৰিছে।

ooooooooo

অৰুণাচল প্ৰদেশৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা জলসম্পদ মন্ত্ৰী বিয়ুৰাম বাঘেই আজি পাক্কে ব্যাঘ্ৰ অভয়াৰণ্যত এখন পখিলা উদ্যান মুকলি কৰে। পাক্কে কেচাং জিলাৰ চেইজোছাৰ পশ্চিম দিশত বন শিৱিৰৰ এই উদ্যানখনে জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ প্ৰচেষ্টা ত্বৰান্বিত কৰিব আৰু অঞ্চলটোত পৰিৱেশ অনুকূল পৰ্য্যটনত উদগনি যোগাব। শ্ৰীবাঘেই লগতে পাক্কে ব্যাঘ্ৰ অভয়াৰণ্যৰ এটা ৱেবচাইটো মুকলি কৰে। এই ৱেবচাইটটোৰ জৰিয়তে সংৰক্ষণ, পৰ্য্যটন আৰু বৈচিত্ৰ্যৰ তথ্য সহজে লাভ কৰিব পৰা যাব।

ooooooooo

ঝাৰখণ্ড বিধানসভাৰ দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰ প্ৰক্ৰিয়াৰ আজি সামৰণি পৰিছে। এই পৰ্য্যায়ৰ বাবে ৬৩৪ জন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। দ্বিতীয় পৰ্যায়ত ২০ নৱেম্বৰত ৰাজ্যখনৰ ৩৮ টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ইপিনে, মনোনয়ন পত্ৰ পৰীক্ষাৰ পাছত ৰাজ্যখনৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৬৮৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ১৩ নবেম্বৰত ৪৩টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

ooooooooo

ভাৰতীয় সেনাৰ এটা দল ভাৰত আৰু আমেৰিকাৰ বিশেষ বাহিনীসমূহৰ যুঁটীয়া সামৰিক অনুশীলন বজ্ৰ প্ৰহাৰৰ পঞ্চদশ সংস্কৰণত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাওনা হৈছে। এই অনুশীলন আমেৰিকাৰ আইডাহোৰ আৰ্চৰ্ড কমবেট ট্ৰেইনিং চেণ্টাৰত কাইলৈৰ পৰা ২২ নবেম্বৰলৈ অনুষ্ঠিত হ'ব। যোৱা বছৰ মেঘালয়ৰ আমচৈত এই অনুশীলন অনুষ্ঠিত হৈছিল। এই অনুশীলন হৈছে ভাৰত আৰু আমেৰিকাৰ সৈন্য বাহিনীৰ মাজৰ দ্বিতীয় অনুশীলন। পূৰ্বৰ অনুশীলন যুদ্ধ অভ্যাস ২০২৪ ৰাজস্থানত ছেপ্তেম্বৰ মাহত অনুষ্ঠিত হৈছিল।

প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয় যে, যৌথ অনুশীলনত অংশগ্ৰহণ কৰা দুয়োখন দেশৰ দলত মুঠ ৪৫ জন জোৱান থাকিব। ভাৰতীয় সৈন্যৰ দলটোৰ প্ৰতিনিধিত্ব কৰিব বিশেষ বাহিনীৰ শাখাই আৰু আমেৰিকাৰ সৈন্য দলটোক প্ৰতিনিধিত্ব কৰিব আমেৰিকাৰ গ্ৰীণ বেৰেটে।

ooooooooo

ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ৩ খনীয়া টেষ্ট ক্রিকেট শৃংখলাৰ তৃতীয় তথা অন্তিম খন খেলত প্ৰাৰম্ভিক বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈছে। ভাৰতে আজি প্ৰথম দিনৰ খেলৰ সামৰণি পৰলৈকে চাৰিটা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ৮৬ ৰাণ কৰে। দিনান্তত শুভমন গিলে ৩১ আৰু ঋষভ পন্তে ১ ৰাণ কৰি খেলি আছিল। ইয়াৰ আগেয়ে যশস্বী জয়ছৱালে ৩০, ৰোহিত শৰ্মাই ১৮, বিৰাট কোহলীয়ে ৪ ৰাণ কৰে আৰু নাইট ৱাটছমেন হিচাপে আগতীয়াকৈ বেট ধৰিবলৈ অহা বেগী বলাৰ মহম্মদ চিৰাজ এটাও ৰাণ নকৰাকৈ আউট হয়। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ২৩৫ ৰাণত প্ৰথম ইনিংছ সামৰে। নিউজিলেণ্ডৰ হৈ ডেৰিল মিচেলে ৮২ আৰু উইল ইয়ঙে ৭১ ৰাণ কৰে। ভাৰতৰ হৈ স্পীনাৰ ৰবীন্দ্ৰ জাদেজাই পাঁচটা আৰু ৱাশ্বিংটন সুন্দৰে চাৰিটা উইকেট দখল কৰে।

ooooooooo

সমাপ্ত